ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# লোক প্ৰতিনিধিত্ব (বিবিধ উপবন্ধ) অধিনিয়ম, ১৯৫৬

(১৯৫৬ ৰ ৮৮ নং অধিনিয়ম)

[১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Representation of the People (Miscellaneous Provisions) Act, 1956

(Act No. 88 of 1956)

[As on the 1st April, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান লোক প্ৰতিনিধিত্ব (বিবিধ উপবন্ধ) অধিনিয়ম, ১৯৫৬ (১৯৫৬ৰ ৮৮ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ৰ পৃষ্ঠা ১৭ত প্ৰকাশিত হৈছিল ।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হব ।

# PREFACE

This edition of the Representation of the People (Miscellaneous Provisions) Act, 1956 (88 of 1956) as on the 1st April, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India. Extraordinary, Part VI, Section 1, No 1, Vol. 1 dated 7th September, 1990 on page 17.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi — V. S. RAMA DEVI,

Date 14th Oct. 1990 — Secretary to the Govt. of India.

## লোক প্ৰতিনিধিত্ব (বিবিধ উপবন্ধ) অধিনিয়ম, ১৯৫৬
### ধাৰাসমূহৰ ক্ৰম

ধাৰা সমূহ

১। সংক্ষিপ্ত নাম।

২। অনৰ্হতা দূৰীকৰণ।

৫। কিছুমান ক্ষেত্ৰত সংসদৰ সদস্য পদৰ অনৰ্হতা দূৰীকৰণ।

## লোক প্ৰতিনিধিত্ব (বিবিধ উপবন্ধ) অধিনিয়ম, ১৯৫৬
## ১৯৫৬ চনৰ ৮৪ নং অধিনিয়ম

(১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান)

[২৮ ডিচেম্বৰ, ১৯৫৬ চন]

সংসদ আৰু ৰাজ্যিক বিধান মণ্ডলৰ সদস্য পদৰ আৰু তাৰ বাবে হোৱা নিৰ্বাচনত ভোট দানৰ বাবে আৰু এনে নিৰ্বাচন সম্পৰ্কীয় বিবিধ বিষয়ৰ বাবে অনৰ্হতা দূৰীকৰণৰ উপবন্ধ কৰিবলৈ প্ৰণীত অধিনিয়ম।

ভাৰত গণৰাজ্যৰ সপ্তম বছৰত সংসদৰ দ্বাৰা নিম্নলিখিতৰূপে অধিনিয়মিত কৰা হওক:—

১৯৫১ চনৰ ৪৩

সংক্ষিপ্ত নাম — ১। এই অধিনিয়ম, ১৯৫৬ চনৰ লোক প্ৰতিনিধিত্ব (বিবিধ উপবন্ধ) অধিনিয়মৰূপে অভিহিত হব। ১৯৫৬ চনৰ ২৭

অনৰ্হতা দূৰীকৰণ। — ২। (১) মূল অধিনিয়মৰ ৭ ধাৰাৰ (গ) দফাৰ দ্বাৰা প্ৰয়োজন হোৱা নিৰ্বাচনী খৰচৰ হিচাপ দাখিল নিদিয়াৰ ফলত সংসদ অথবা ৰাজ্যিক বিধান সভাৰ সদস্য পদৰ ১৯৫৬ চনৰ লোক প্ৰতিনিধিত্ব (২য় সংশোধনী) অধিনিয়ম কাৰ্যকৰী হোৱাৰ পূৰ্বে ১৯৫১ চনৰ লোক প্ৰতিনিধিত্ব অধিনিয়মৰ দ্বাৰা (পিছত মূল অধিনিয়মৰূপে উল্লেখ কৰা) হোৱা যি কোনো লোকৰ সকলো অনৰ্হতা ইয়াৰ দ্বাৰা আঁতৰোৱা হয়।

(২) ১৯৫৬ চনৰ লোক প্ৰতিনিধিত্ব (২য় সংশোধনী) কাৰ্যকৰী হোৱাৰ পূৰ্বে মূল অধিনিয়মানুসাৰে যিকোনো লোকে যি কোনো অবৈধ আচৰণ অথবা ভেটী দিয়া দুৰ্নীতিমূলক আচৰণ অথবা অনুচিত প্ৰভাৱৰ বাহিৰে যিকোনো দুৰ্নীতিপৰায়ণ কাৰ্যৰ বাবে হোৱা সংসদ অথবা ৰাজ্য বিধান সভাৰ সদস্য পদৰ অনৰ্হতা অথবা নিৰ্বাচনৰ ভোট-দানৰ অনৰ্হতা ইয়াৰ সহায়ত আঁতৰোৱা হয়।

৩।৪ (বাদ দিয়া হৈছে)

কিছুমান ক্ষেত্ৰত সংসদৰ সদস্য পদৰ অনৰ্হতা দূৰীকৰণ। — ৫। ইয়াৰ দ্বাৰা ঘোষণা কৰা হয় যে মণিপুৰৰ মুখ্য আয়ুক্ত অথবা ত্ৰিপুৰাৰ মুখ্য আয়ুক্তৰ লগত সংশ্লিষ্ট থকা পৰামৰ্শদাতা সকলৰ পৰিষদৰ সদস্য-পদে পদাধিকাৰী বা সেই পদৰ বাৰ্তানিত্ত উঠাৰ বাবে অথবা সংসদৰ সদস্য পদৰ বাবে অনৰ্হ নকৰে।